অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : ১৫

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **পথ মেৰামতি**

বিধায়ক : **শ্ৰী মহিবুৰ ৰহমান:**

মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) আগিয়াৰ পৰা ফুলবাৰী হৈ হাটশিঙিমাৰী সংযোগী পথচোৰাৰ কোন কোন অংশ ৰাষ্ট্ৰীয় ঘাই পথৰ শিতানত সন্নিবিষ্ট কৰা হৈছে আৰু কোন কোন অংশ লোক নিৰ্মাণ বিভাগৰ অধীনত আছে?

(খ) উক্ত বিধ্বস্ত পথটো মেৰামতি তথা পুনৰ নিৰ্মাণৰ বাবে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(গ) যদি মেৰামতি তথা পুনৰ নিৰ্মাণৰ বাবে পৰিকল্পনা কৰিছে তেন্তে ই কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব?

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

ক) আগিয়াৰ পৰা ফুলবাৰী হৈ হাটশিঙিমাৰী-সংযোগী পথচোৰাৰ ৰাষ্ট্ৰীয় ঘাই পথ শিতানত এতিয়ালৈকে সন্নিবিষ্ট হোৱা নাই । উক্ত পথৰ আগিয়াৰ পৰা মেধিপাৰা (Ch.0.00 km to Ch.25.506km) লৈকে লোক নিৰ্মাণ পথ বিভাগ গোৱালপাৰা পশ্চিম আৰু দুধনৈ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত পৰে । বাকী থকা মেধিপাৰাৰ পৰা হালদিয়াগঞ্জ (L=80 km) ভায়া ফুলবাৰী মেঘালয় ৰাজ্যত পৰে আৰু শেষৰ অংশ হাটশিঙিমাৰীৰ পৰা মানকাছাৰ (L=22Km) পথটো দক্ষিণ শালমাৰা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত পৰে ।

খ) উক্ত পথটোৰ আগিয়াৰ পৰা মেধিপাৰা (L=25.5km) অংশটো মেৰামতি/পুনঃনিৰ্মাণৰ বাবে ইতিমধ্যে অসম মালা ৩.০ আঁচনিভুক্ত কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত ঠিকাদাৰক মুঠ ৭৯৩৭.৪৫ লাখ টকাৰ আৱণ্টন দিয়া হৈছে আৰু কামটো চলি আছে ।

বাকী থকা হাটশিঙিমাৰীৰ পৰা মানকাছাৰ (HM) পথটো (L=22.00km) মেৰামতি/পুনঃ নিৰ্মাণৰ বাবে অসম মালা ৩.০ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত মুঠ ৯২০০.০০ লাখ টকাৰ অনুমোদন হৈছে আৰু ইতিমধ্যে কামটো আৱণ্টন কৰা হৈছে অৰু কাম চলি আছে ।

গ) প্ৰশ্নত উল্লেখিত কামখিনি বিভাগীয় পৰ্যবেক্ষনত ইতিমধ্যে আৰম্ভ হৈছে আৰু আগিয়া মেধিপাৰা অংশৰ পকীনলা (L=2.1 Km) আৰু Subway Bailey Bridge নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে । কিছু অংশত পথ বহলীকৰণৰ কাম আৰম্ভ হৈছে ।

(The Reply uploaded in the Portal)

---ooo--